रेलवे भर्ती बोर्ड / RAILWAY RECRUITMENT BOARD
सी०ई०एन ० ०९ /२०२५ -7 वें सीपीसी वेतन मैट्रिक्स के लेवल १ में विभिन्न पदों हेतु
CEN 09/2025 - Various Posts in Level 1 of 7th CPC Pay Matrix

# RRB Group D 2025

## Level-1 · CEN 09/2025 · Mathematics — Topic-wise

**Assamese**

28 Chapters · 333 Questions · Official Answer Key

## About this Compilation

Every **Mathematics** question asked across all shifts of the **RRB Group D (Level-1) 2025** examination (CEN 09/2025), regrouped by **chapter** instead of by shift, so you can revise one topic end to end. The correct option is marked as per the official answer key.

**17 duplicate questions removed.** RRB repeated these word-for-word across different shifts. They appear once here, so a chapter never prints the same question twice - the shift-wise and section-wise books still carry every occurrence.

### How to use

- Use the **Index** to jump to any chapter (clickable).
- Within a chapter, questions on the same idea are placed together.
- The correct answer is highlighted in green with a tick.
- The same paper is also available shift-wise and section-wise at rank.qmaths.in.





*Toppers' Choice, Blackbook of English Vocabulary, Now available in App format : DOWNLOAD NOW*

# Index — All Chapters (click to open)


1 Number System
Number System and Simplification · 12 Qs

2 LCM and HCF
Number System and Simplification · 5 Qs

3 Simplification
Number System and Simplification · 8 Qs

4 Average
Arithmetic · 14 Qs

5 Percentage
Arithmetic · 27 Qs

6 Ratio and Proportion
Arithmetic · 22 Qs

7 Mixture and Alligation
Arithmetic · 4 Qs

8 Problems on Ages
Arithmetic · 8 Qs

9 Profit and Loss
Arithmetic · 13 Qs

10 Discount and Marked Price
Arithmetic · 15 Qs

11 Partnership
Arithmetic · 5 Qs

12 Simple Interest
Arithmetic · 13 Qs

13 Compound Interest
Arithmetic · 29 Qs

14 Time and Work
Arithmetic · 7 Qs

15 Pipes and Cisterns
Arithmetic · 9 Qs

16 Time, Speed and Distance
Arithmetic · 22 Qs

17 Problems on Trains
Arithmetic · 5 Qs

18 Boats and Streams
Arithmetic · 1 Qs

19 Surds and Indices
Algebra · 9 Qs

20 Algebraic Identities and Equations
Algebra · 8 Qs

21 Lines, Angles and Triangles
Geometry and Mensuration · 6 Qs

22 Circles, Quadrilaterals and Polygons
Geometry and Mensuration · 7 Qs

23 Mensuration 2D (Area and Perimeter)
Geometry and Mensuration · 6 Qs

24 Mensuration 3D (Surface Area and Volume)
Geometry and Mensuration · 24 Qs

25 Trigonometric Ratios and Identities
Trigonometry · 15 Qs

26 Height and Distance
Trigonometry · 3 Qs

27 Statistics (Mean, Median and Mode)
Data Interpretation and Statistics · 22 Qs

28 Data Interpretation
Data Interpretation and Statistics · 14 Qs

## Number System and Simplification

12 Questions • Answer Key

**Q1** Divisibility missing digit

যদি 7টা অংকবিশিষ্ট 87321A6 সংখ্যাটো 6ৰে পূৰ্ণবিভাজ্য হয়, তেন্তে Aৰ ন্যূনতম মান কিমান?

A. 3
B. 1
C. 2
D. 0 ✓

**Q2** Divisibility missing digit

যদি 7টা অংকৰ 65873A8 সংখ্যাটো 22ৰদ্বাৰা পূৰ্ণবিভাজ্য হয়, তেন্তে Aৰ মান কি?

A. 1
B. 3
C. 7
D. 2 ✓

**Q3** Divisibility missing digit

7টা অংকবিশিষ্ট 48085A7 সংখ্যাটো যদি 3ৰে পূৰ্ণবিভাজ্য হয়, তেন্তে Aৰ ন্যূনতম মান কিমান?

A. 7
B. 1 ✓
C. 8
D. 4

**Q4** Divisibility missing digit

7টা অংকবিশিষ্ট 84A614B সংখ্যাটো 3ৰে পূৰ্ণবিভাজ্য। (A + B)ৰ নূন্যতম মান কিমান?

A. 1 ✓
B. 5
C. 2
D. 4

**Q5** Divisibility missing digit

8টা অংকবিশিষ্ট 456A3264 সংখ্যাটো 12ৰে পূৰ্ণবিভাজ্য় হ'বলৈ Aৰ ন্যূনতম মান কিমান হ'ব লাগিব?

A. 3
B. 0 ✓
C. 6
D. 4

**Q6** Divisibility missing digit

8টা অংকৰ 753A3228 সংখ্যাটো 18ৰদ্বাৰা পূৰ্ণবিভাজ্য হ'বলৈ Aৰ মান কিমান হ'বই লাগিব?

A. 9
B. 6 ✓
C. 5
D. 2

**Q7** Divisibility missing digit

717A0280 সংখ্যাটো 3ৰে পূৰ্ণবিভাজ্য হ'বলৈ Aৰ ন্যূনতম মান কিমান হ'ব লাগিব?

A. 8
B. 2 ✓
C. 1
D. 5

**Q8** Divisibility missing digit

7টা অংকযুক্ত 45A216B সংখ্যাটো 3ৰে বিভাজ্য। (A + B)ৰ ন্যূনতম মান কিমান?

A. 5
B. 2
C. 0 ✓
D. 3

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play
generated by rank.qmaths.in

**Q9** Divisibility missing digit

যদি 7টা অংকবিশিষ্ট 29009A6 সংখ্যাটো 7ৰে পূৰ্ণবিভাজ্য হয়, তেন্তে Aৰ ন্যূনতম মান কিমান?

A. 1

B. 5

C. 9

D. 2 ✓

**Q10** Divisibility missing digit

7টা অংকবিশিষ্ট 39A122B সংখ্যাটো 3ৰে পূৰ্ণবিভাজ্য। (A + B)ৰ ন্যূনতম মান কিমান?

A. 2

B. 6

C. 1 ✓

D. 3

**Q11** Divisibility missing digit

456A2384 সংখ্যাটো 16ৰে পূৰ্ণবিভাজ্য হ'বলৈ Aৰ ন্যূনতম মান কিমান হ'ব লাগিব?

A. 5

B. 2

C. 4

D. 0 ✓

**Q12** Divisibility rules

নিম্নলিখিত কোনটো সংখ্যা 9ৰে পূৰ্ণবিভাজ্য?

A. 3,624

B. 4,317

C. 5,328 ✓

D. 6,018

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

generated by rank.qmaths.in

## Number System and Simplification

5 Questions • Answer Key

**Q1** HCF of numbers

252, 396 আৰু 524 সংখ্যাকেইটাৰ গ.সা.উ. (HCF) নিৰ্ণয় কৰক।

- **A.** 4 ✓
- **B.** 36
- **C.** 12
- **D.** 9

**Q2** LCM word problem

এটা নীলা লাইটে প্ৰতি 6 ছেকেণ্ডত টিপটিপ কৰে আৰু এটা ৰঙা লাইটে প্ৰতি 9 ছেকেণ্ডত টিপটিপ কৰে। কিমান ছেকেণ্ডৰ পাছত দুয়োটা লাইট আকৌ একেলগে টিপটিপ কৰিব?

- **A.** 18 ছেকেণ্ড ✓
- **B.** 12 ছেকেণ্ড
- **C.** 9 ছেকেণ্ড
- **D.** 3 ছেকেণ্ড

**Q3** LCM word problem

4-অংকীয়া আটাইতকৈ ডাঙৰ কোনটো সংখ্যা 12, 24, 45 আৰু 60ৰে বিভাজ্য?

- **A.** 9,600
- **B.** 9,256
- **C.** 9,450
- **D.** 9,720 ✓

**Q4** Product of HCF and LCM

দুটা সংখ্যাৰ HCF (গ: সা: উ:) আৰু LCM (ল: সা: গু:)ৰ গুণফল হৈছে 1944; যদি প্ৰথম সংখ্যাটো 54 হয়, তেন্তে দ্বিতীয়টো সংখ্যা নিৰ্ণয় কৰক।

- **A.** 36 ✓
- **B.** 48
- **C.** 24
- **D.** 42

**Q5** Product of HCF and LCM

দুটা সংখ্যাৰ গ.সা.উ. (HCF) হৈছে 11 আৰু ইহঁতৰ ল.সা.গু. (LCM) হৈছে 1870; যদি এটা সংখ্যা 22 হয়, তেন্তে আনটো সংখ্যাৰ এককৰ ঘৰৰ অংকটো নিৰ্ণয় কৰক।

- **A.** 3
- **B.** 7
- **C.** 4
- **D.** 5 ✓

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

## Number System and Simplification

8 Questions • Answer Key

**Q1** BODMAS evaluation

মান নিৰ্ণয় কৰক: 16 - 5 × 3 + 19

A. 19
B. 20 ✓
C. 22
D. 18

**Q2** BODMAS numeric evaluation

মান নিৰ্ণয় কৰক: 16 - 5 × 4 + 4

A. 0 ✓
B. -1
C. 2
D. -2

**Q3** BODMAS numeric evaluation

মান নিৰ্ণয় কৰক: 16 - 5 × 4 + 5

A. 1 ✓
B. 3
C. -1
D. 0

**Q4** BODMAS numeric evaluation

নিম্নলিখিত ৰাশিটো সৰল কৰক:

$[18 - \{6 + (4 \times 2)\} + 3^2] \div 3$

A. $2\frac{1}{3}$
B. $4\frac{2}{3}$
C. $3\frac{1}{4}$
D. $4\frac{1}{3}$ ✓

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Q5** BODMAS with fractions

সৰল কৰক:

$$\frac{\frac{7}{2} \div \frac{3}{2} \times \frac{5}{2}}{8 \div \frac{5}{2} \text{ of } \frac{1}{2}} \div \frac{25}{8}$$

A. $\frac{11}{24}$

B. $\frac{5}{24}$

C. $\frac{7}{24}$ ✓

D. $\frac{13}{24}$

**Q6** Unrecoverable question text ENGLISH

What is the mean of the following distribution?

| | | | | | |
|---|---|---|---|---|---|
| Marks | 14 | 28 | 55 | 75 | 93 |
| No. of Students | 33 | 81 | 73 | 44 | 35 |

A. 46

B. 39

C. 50 ✓

D. 42

**Q7** Unrecoverable question text

নিম্নলিখিত তথ্যৰ পৰা মধ্যমা নিৰ্ণয় কৰক।

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| বছৰত বয়স | 20-30 | 30-40 | 40-50 | 50-60 | 60-70 | 70-80 | 80-90 |
| ৰোগীৰ সংখ্যা | 21 | 25 | 13 | 11 | 10 | 37 | 23 |

A. 60 ✓

B. 72

C. 48

D. 79

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

generated by rank.qmaths.in

**Q8** Value of expression

মান নিৰ্ণয় কৰক:

$$\frac{\sqrt{264} \times \sqrt{330} \times \sqrt{1125}}{\sqrt{1296} \times \sqrt{400}}$$

A. $\frac{38}{3}$

B. $\frac{55}{4}$ ✓

C. $\frac{11}{2}$

D. $\frac{89}{6}$

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play
generated by rank.qmaths.in

## Arithmetic

14 Questions • Answer Key

**Q1** Average of consecutive numbers

4টা ক্ৰমিক অযুগ্ম সংখ্যাৰ গড় হ'ল হৈছে 36; ইয়াৰ ভিতৰত বৃহত্তম আৰু ক্ষুদ্ৰতম সংখ্যা দুটাৰ যোগফল হ'ল:

A. 66
B. 68
C. 74
D. 72 ✓

**Q2** Average of subgroups

5 জনীয়া পৰিয়াল এটাত ককাক-আইতাক, পিতৃ-মাতৃ আৰু এগৰাকী নাতি থাকে। ককাক-আইতাকৰ গড় বয়স 76 বছৰ, পিতৃ-মাতৃৰ গড় বয়স 40 বছৰ আৰু নাতিৰ বয়স হৈছে 8 বছৰ। পৰিয়ালটোৰ গড় বয়স কিমান?

A. 42 বছৰ
B. 44 বছৰ
C. 48 বছৰ ✓
D. 46 বছৰ

**Q3** Average of subgroups

বছৰটোৰ প্ৰথম তিনিমাহত এটা পৰিয়ালৰ গড় মাহিলী খৰচ ₹3,200, পৰৱৰ্তী চাৰিমাহত ₹3,550 আৰু শেষৰ পাঁচমাহত ₹4,120; যদি বছৰটোত মুঠ সঞ্চয় ₹2,265 আছিল, তেন্তে গড় মাহিলী উপাৰ্জন কিমান?

A. ₹3,888.75 ✓
B. ₹4,234.60
C. ₹4,380
D. ₹3,880

**Q4** Average of subgroups

এটা বিষয়ত 350 গৰাকী শিক্ষাৰ্থীয়ে লাভ কৰা গড় নম্বৰ হ'ল 75; শীৰ্ষ 100 গৰাকী শিক্ষাৰ্থীৰ গড় হৈছে 85 আৰু অন্তিম 100 গৰাকী শিক্ষাৰ্থীৰ গড় হৈছে 65; বাকী থকা 150 গৰাকী শিক্ষাৰ্থীৰ গড় কিমান হ'ব?

A. 55
B. 85
C. 65
D. 75 ✓

**Q5** Average of subgroups

পুথিভঁৰাল এটাত দেওবাৰে গড় দৰ্শনাৰ্থীৰ সংখ্যা 612 আৰু আন দিনবোৰত গড় 240 জন। দেওবাৰৰ পৰা আৰম্ভ হোৱা 30 দিনৰ মাহ এটাত প্ৰতিদিনে গড় দৰ্শকৰ সংখ্যা হ'ল:

A. 315
B. 302 ✓
C. 298
D. 310

**Q6** Average with unknown

যদি তিনিটা মান 3x, 2x+6 আৰু 2x+1ৰ মাধ্য 7 হয়, তেন্তে x নিৰ্ণয় কৰক।

A. 4
B. 8
C. 6
D. 2 ✓

**Q7** Simple average of numbers

2, 4, 6, আৰু 8ৰ গড় কিমান?

A. 4
B. 7
C. 6
D. 5 ✓

**Q8** Simple average of numbers

নিম্নলিখিত সংখ্যাবোৰৰ মাধ্য গণনা কৰক:

283, 261, 253, 175, 186 আৰু 192

A. 230
B. 220
C. 225 ✓
D. 235

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play
generated by rank.qmaths.in

**Q9** Simple average of numbers

453, 397, 332 আৰু 84ৰ গড় নিৰ্ণয় কৰক।

A. 306.5

B. 336.5

C. 326.5

D. 316.5 ✓

**Q10** Weighted average

এটা সমীক্ষাত, এটা সামগ্ৰীক 4 গৰাকী ব্যক্তিয়ে 5 ৰেটিং দিছিল আৰু 6 গৰাকী ব্যক্তিয়ে ইয়াক 3 ৰেটিং দিছিল। ভাৰিত গড় ৰেটিং কিমান?

A. 4.2

B. 3.8 ✓

C. 3.5

D. 4.0

**Q11** Weighted average

4, 8 আৰু 10 সংখ্যাকেইটাক ক্ৰমে 2, 3 আৰু 5 ভাৰ প্ৰদান কৰা হৈছে। এইকেইটাৰ ভাৰিত সমান্তৰ মাধ্য নিৰ্ণয় কৰক।

A. 9.1

B. 6.5

C. 8.2 ✓

D. 7.4

**Q12** Weighted average

এগৰাকী ছাত্ৰই 40% ভাৰযুক্ত এটা এচাইনমেণ্টত 80 নম্বৰ আৰু 60% ভাৰযুক্ত এটা প্ৰজেক্টত 70 নম্বৰ লাভ কৰে। ছাত্ৰজনৰ ভাৰিত গড় নম্বৰ কিমান?

A. 70

B. 74 ✓

C. 80

D. 72

**Q13** Weighted average

চাৰিটা বিষয়ৰ বাবে আবণ্টিত ভাৰ যথাক্ৰমে 2,3,4 আৰু 1 হয়। এগৰাকী শিক্ষাৰ্থীয়ে এই বিষয়সমূহত 60, 70, 80 আৰু 90 নম্বৰ লাভ কৰে। নম্বৰসমূহৰ ভাৰিত মাধ্য কিমান?

A. 68

B. 64

C. 78

D. 74 ✓

**Q14** Combined average

যদি এটা সপ্তাহৰ প্ৰথম 3 দিনৰ গড় উষ্ণতা 38.5°C আৰু শেষৰ 4 দিনৰ গড় উষ্ণতা 39.2°C হয়, তেন্তে গোটেই সপ্তাহটোৰ গড় উষ্ণতা নিৰ্ণয় কৰক।

A. $38.9^\circ$ C ✓

B. $38.8^\circ$ C

C. $38.6^\circ$ C

D. $39^\circ$ C

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

Arithmetic — 27 Questions • Answer Key

**Q1** Basic percentage value

এটা নিৰ্বাচনত মুঠ 8,000 টা ভোট প্ৰদান কৰা হৈছিল। প্ৰাৰ্থী Xয়ে মুঠ ভোটৰ 55% লাভ কৰিছিল। প্ৰাৰ্থী Xয়ে লাভ কৰা ভোটৰ সংখ্যা নিৰ্ণয় কৰক।

A. 4,600
B. 4,400 ✓
C. 4,000
D. 4,200

**Q2** Basic percentage value

এখন বিদ্যালয়ৰ নিৰ্বাচনত 10% শিক্ষাৰ্থীয়ে ভোটদান কৰা নাছিল। যদি মুঠ শিক্ষাৰ্থীৰ সংখ্যা 2,000 আছিল, তেন্তে কিমান শিক্ষাৰ্থীয়ে ভোটদান কৰিছিল?

A. 1,600
B. 1,900
C. 1,700
D. 1,800 ✓

**Q3** Combined percentage change

এটা ৱাছিং মেচিনৰ মূল্য এটা টিভিৰ মূল্যতকৈ 50% কম হয়। যদি ৱাছিং মেচিনটোৰ মূল্য 76% বৃদ্ধি পায় আৰু টিভিটোৰ মূল্য 37% হ্ৰাস পায়, তেন্তে 4 টা ৱাছিং মেচিন আৰু 3 টা টিভিৰ সৰ্বমুঠ মূল্যত শতাংশ পৰিৱৰ্তন কিমান হ'ব?

A. 5% হ্ৰাস
B. 13% বৃদ্ধি
C. 16% হ্ৰাস
D. 8.2% বৃদ্ধি ✓

**Q4** Combined percentage change

এটা ৱাছিং মেচিনৰ মূল্য এটা টিভিৰ মূল্যতকৈ 50% কম। যদি ৱাছিং মেচিনটোৰ মূল্য 83% বৃদ্ধি পায় আৰু টিভিটোৰ মূল্য 38% হ্ৰাস পায়, তেন্তে 8 টা ৱাছিং মেচিন আৰু 4 টা টিভিৰ সৰ্বমুঠ মূল্যত শতকৰা পৰিৱৰ্তন কিমান?

A. 27% হ্ৰাস
B. 22.5% বৃদ্ধি ✓
C. 26% বৃদ্ধি
D. 19% হ্ৰাস

**Q5** Election votes percentage

এটা নিৰ্বাচনত কেৱল দুগৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। 25% ভোট লাভ কৰা ব্যক্তি এগৰাকী 500টা ভোটত পৰাস্ত হৈছে। কোনো অবৈধ ভোট হোৱা নাই বুলি ধৰি ললে, মুঠ ভোটৰ সংখ্যা কিমান?

A. 2000
B. 4000
C. 3000
D. 1000 ✓

**Q6** Income expenditure savings

ৰমনৰ আয় হৈছে ₹70,000; তেখেতে নিজৰ আয়ৰ 26% সঞ্চয় কৰে। যদি তেখেতৰ আয় 32% বৃদ্ধি পায় আৰু ব্যয় 45% বৃদ্ধি হয়, তেন্তে তেখেতৰ সঞ্চয়:

A. ₹910 হ্ৰাস হ'ব ✓
B. ₹908 হ্ৰাস হ'ব
C. ₹913 বৃদ্ধি হ'ব
D. ₹909 বৃদ্ধি হ'ব

**Q7** Income expenditure savings

ৰমনৰ আয় হৈছে ₹25,000; তেখেতে নিজৰ আয়ৰ 25.5% সঞ্চয় কৰে। যদি তেখেতৰ আয় 20% বৃদ্ধি পায় আৰু ব্যয় 40% বৃদ্ধি হয়, তেন্তে তেখেতৰ সঞ্চয়:

A. ₹2,453 বৃদ্ধি হ'ব
B. ₹2,452 হ্ৰাস পাব
C. ₹2,450 হ্ৰাস পাব ✓
D. ₹2,446 বৃদ্ধি হ'ব

**Q8** Income expenditure savings

ৰমনৰ আয় হৈছে ₹43,800; তেখেতে নিজৰ আয়ৰ 20% সঞ্চয় কৰে। যদি তেখেতৰ আয় 36% বৃদ্ধি পায় আৰু ব্যয় 40% বৃদ্ধি হয়, তেন্তে তেখেতৰ সঞ্চয়:

A. ₹1,748 হ্ৰাস পাব
B. ₹1,757 বৃদ্ধি হ'ব
C. ₹1,752 বৃদ্ধি হ'ব ✓
D. ₹1,753 হ্ৰাস পাব

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play
generated by rank.qmaths.in

**Q9** Income expenditure savings

ৰমনৰ আয় হৈছে ₹70,900; তেওঁ নিজৰ আয়ৰ 12% সঞ্চয় কৰে। যদি তেওঁৰ আয় 39% বৃদ্ধি পায় আৰু ব্যয় 50% বৃদ্ধি পায়, তেন্তে তেওঁৰ সঞ্চয়:

A. ₹3,548 বৃদ্ধি পাব

B. ₹3,545 হ্ৰাস পাব ✓

C. ₹3,546 বৃদ্ধি পাব

D. ₹3,550 হ্ৰাস পাব

**Q10** Income expenditure savings

ৰমনৰ আয় হৈছে ₹10,200; তেখেতে নিজৰ আয়ৰ 30% সঞ্চয় কৰে। যদি তেখেতৰ আয় 14% বৃদ্ধি পায় আৰু ব্যয় 40% বৃদ্ধি হয়, তেন্তে তেখেতৰ সঞ্চয়:

A. ₹1,428 হ্ৰাস পাব ✓

B. ₹1,429 বৃদ্ধি হ'ব

C. ₹1,427 হ্ৰাস পাব

D. ₹1,430 বৃদ্ধি হ'ব

**Q11** Income expenditure savings

বিক্ৰমে তেওঁৰ উপাৰ্জনৰ r% সঞ্চয় কৰে। যদি তেওঁৰ উপাৰ্জন 22% বৃদ্ধি পায় আৰু তেওঁৰ ব্যয় 16% বৃদ্ধি পায়, তেন্তে তেওঁৰ সঞ্চয় 40% বৃদ্ধি পায়। rৰ মান কিমান?

A. 27

B. 25 ✓

C. 16

D. 22

**Q12** Income expenditure savings

ৰমনে ₹91,700 উপাৰ্জন কৰে। তেখেতে নিজৰ উপাৰ্জনৰ 20% সঞ্চয় কৰে। যদি তেখেতৰ উপাৰ্জন 19% বৃদ্ধি পায় আৰু ব্যয় 35% বৃদ্ধি পায়, তেন্তে তেখেতৰ সঞ্চয়:

A. ₹8,253 হ্ৰাস পাব ✓

B. ₹8,249 বৃদ্ধি হ'ব

C. ₹8,255 বৃদ্ধি হ'ব

D. ₹8,252 হ্ৰাস পাব

**Q13** Income expenditure savings

ৰমনৰ আয় হৈছে ₹43,000; তেখেতে নিজৰ আয়ৰ 26% সঞ্চয় কৰে। তেখেতৰ আয় যদি 20% বৃদ্ধি পায় আৰু ব্যয় 40% বৃদ্ধি পায়, তেন্তে তেখেতৰ সঞ্চয়:

A. ₹4,128 হ্ৰাস পাব ✓

B. ₹4,131 বৃদ্ধি পাব

C. ₹4,133 হ্ৰাস পাব

D. ₹4,133 বৃদ্ধি পাব

**Q14** Percentage decrease

এখন নগৰৰ জনসংখ্যা 80,000ৰ পৰা 72,000লৈ হ্ৰাস পাইছে। জনসংখ্যাৰ হ্ৰাসৰ শতাংশ নিৰ্ণয় কৰক।

A. 8%

B. 12%

C. 10% ✓

D. 15%

**Q15** Percentage decrease

এগৰাকী কৰ্মচাৰীৰ বেতন ₹50,000ৰ পৰা ₹45,000লৈ হ্ৰাস পাইছে। হ্ৰাস পোৱা বেতনৰ শতাংশ নিৰ্ণয় কৰক।

A. 8%

B. 12%

C. 10% ✓

D. 15%

**Q16** Percentage increase

এটা কাৰখানাৰ উৎপাদন 1,200 ইউনিটৰপৰা 1,500 ইউনিটলৈ বৃদ্ধি পালে। উৎপাদন বৃদ্ধিৰ শতাংশ নিৰ্ণয় কৰক।

A. 30%

B. 22%

C. 25% ✓

D. 20%

**Q17** Percentage increase

এগৰাকী ব্যক্তিৰ মাহেকীয়া আয় ₹9,770। যদি তেওঁৰ আয় 27% বৃদ্ধি পায়, তেন্তে তেওঁৰ নতুন মাহেকীয়া আয় কিমান হ'ব?

A. ₹12,507.50

B. ₹12,307.50

C. ₹12,407.90 ✓

D. ₹12,207.90

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

**Q18** Savings percentage

এটা পৰিয়ালে প্ৰতিমাহে ₹50,000 উপাৰ্জন কৰে আৰু ₹35,000 খৰচ কৰে। উপাৰ্জনৰ কিমান শতাংশ সঞ্চয় হয়?

- A. 30% ✓
- B. 25%
- C. 20%
- D. 15%

**Q19** Successive percentage change

এটা কোম্পানীৰ ৰাজহ এটা ত্ৰৈমাসিকত 40% বৃদ্ধি পায় আৰু তাৰ পিছৰ ত্ৰৈমাসিকত 20% হ্ৰাস পায়। যদি প্ৰাৰম্ভিক ৰাজহ ₹1,00,000 আছিল, তেন্তে চূড়ান্ত ৰাজহ কিমান?

- A. ₹1,08,000
- B. ₹1,12,000 ✓
- C. ₹1,20,000
- D. ₹1,14,000

**Q20** Successive percentage change

এগৰাকী ব্যৱসায়ীয়ে প্ৰতি বেৰেল তেল ₹500ত ক্ৰয় কৰে। তেওঁ প্ৰথমে 20% মূল্য বৃদ্ধি কৰে আৰু পিছত বৰ্ধিত মূল্যৰ 10% হ্ৰাস কৰে। প্ৰতি বেৰেল তেলৰ চূড়ান্ত মূল্য কিমান?

- A. ₹560
- B. ₹500
- C. ₹550
- D. ₹540 ✓

**Q21** Successive percentage change

এটা সামগ্ৰীৰ মূল্য 36% বৃদ্ধি কৰা হয়। এই বৃদ্ধিৰ পিছত, ইয়াক 30% হ্ৰাস কৰা হয়। যদি সামগ্ৰীটোৰ অন্তিম মূল্য মূল মূল্যতকৈ ₹132 কম হয়, তেন্তে সামগ্ৰীটোৰ মূল মূল্য নিৰ্ণয় কৰক।

- A. ₹2,460
- B. ₹2,280
- C. ₹2,750 ✓
- D. ₹2,940

**Q22** Successive percentage change

এখন চহৰত বৃক্ষৰোপণ অভিযানৰ ফলত গছৰ সংখ্যা 40% বৃদ্ধি পালে। এজাক ধুমুহাই এই নতুনকৈ ৰোৱা গছবোৰৰ 30% ধ্বংস কৰিলে। ধুমুহাত ধ্বংস হোৱা গছৰ সংখ্যা মূল গছৰ সংখ্যাৰ কিমান শতাংশ?

- A. 15%
- B. 12% ✓
- C. 9%
- D. 18%

**Q23** Successive percentage change

এটা সামগ্ৰীৰ মূল্য প্ৰথমতে 30% বৃদ্ধি কৰা হয় আৰু পাছত 30% হ্ৰাস কৰা হয়। সামগ্ৰীটোৰ মূল্যৰ সামগ্ৰিক শতাংশ পৰিৱৰ্তন কিমান?

- A. 18% হ্ৰাস
- B. বৃদ্ধি অথবা হ্ৰাস একেবাৰে নহয়
- C. 9% বৃদ্ধি
- D. 9% হ্ৰাস ✓

**Q24** Successive percentage change

এটা বস্তুৰ মূল্য প্ৰতিবাৰতে 12%কৈ ক্ৰমাগতভাৱে দুবাৰ বৃদ্ধি পায়। বস্তুটোৰ মূল্যত একক সমতুল্য শতাংশ বৃদ্ধি নিৰ্ণয় কৰক।

- A. 24.44%
- B. 25.44% ✓
- C. 24%
- D. 22%

**Q25** Successive percentage spending

ব্যক্তি এগৰাকীয়ে তেওঁৰ ধনৰ 22% হেৰুৱাই। বাকী থকা ধনৰ 25% ব্যয় কৰাৰ পাছত তেওঁৰ হাতত ₹7,137 বাকী থাকে। প্ৰাৰম্ভিক অৱস্থাত তেওঁৰ হাতত কিমান ধন আছিল?

- A. ₹12,100
- B. ₹12,300
- C. ₹12,400
- D. ₹12,200 ✓

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

generated by rank.qmaths.in

**Q26** Successive percentage spending

বিষয়া এগৰাকীয়ে নিজৰ দৰমহাৰ 10% ঘৰৰ ভাড়াত ব্যয় কৰে। বাকী থকা ধনৰাশিৰ 50% পৰিবহনৰ বাবে ব্যয় কৰে। তেওঁৰ হাতত ₹20,556 বাকী থাকে। তেওঁৰ মুঠ দৰমহা কিমান?

A. ₹47,680

B. ₹46,680

C. ₹48,680

D. ₹45,680 ✓

**Q27** Savings percentage

এগৰাকী ব্যক্তিয়ে প্ৰত্যেক মাহে ₹3654 ব্যয় কৰে আৰু তেওঁৰ উপাৰ্জনৰ $12\frac{1}{2}\%$ সঞ্চয় কৰে। তেওঁৰ মাহিলী উপাৰ্জন কিমান?

A. ₹4176 ✓

B. ₹4186

C. ₹4166

D. ₹4196

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

generated by rank.qmaths.in

## Arithmetic

22 Questions • Answer Key

**Q1** Combining ratios

যদি x : y = 3 : 5 আৰু y : z = 2 : 3, তেন্তে x : y : z ৰ মান নিৰ্ণয় কৰক।

A. 3 : 7 : 5
B. 6 : 10 : 15 ✓
C. 3 : 5 : 7
D. 1 : 2 : 3

**Q2** Comparing ratios

নিম্নলিখিত অনুপাতসমূহ অধঃক্ৰমত সজাওক।
2: 5, 3: 8, 5: 6, 4: 7

A. 5 : 6 > 4 : 7 > 3 : 8 > 2 : 5
B. 5 : 6 > 4 : 7 > 2 : 5 > 3:8 ✓
C. 5: 6 > 3:8 > 2: 5 > 4:7
D. 5 : 6 > 3:8 > 4 : 7 > 2 : 5

**Q3** Divide sum in ratio

এটা ধনৰাশি P, Q আৰু Rৰ মাজত 2:3:5 অনুপাতত বিতৰণ কৰা হ'ল। যদি Rয়ে Qতকৈ Rs. 290 বেছি পায়, তেন্তে মুঠ ধনৰাশি কিমান হ'ব?

A. Rs. 1200
B. Rs. 1450 ✓
C. Rs. 1100
D. Rs. 900

**Q4** Divide sum in ratio

এটা ৰেচিপিত 3:2:1 অনুপাতত ময়দা, চেনি আৰু বাটাৰৰ প্ৰয়োজন হয়। যদি ব্যৱহৃত সামগ্ৰীৰ মুঠ পৰিমাণ 18 কাপ হয়, তেন্তে কিমান কাপ চেনিৰ প্ৰয়োজন হয়?

A. 12
B. 9
C. 3
D. 6 ✓

**Q5** Divide sum in ratio

এগৰাকী ৰসায়নবিদে দুটা তৰল 5 : 3 অনুপাতত মিহলাই 250 ml দ্ৰৱ প্ৰস্তুত কৰিব লাগে। দ্বিতীয়টো তৰলৰ কিমান পৰিমাণ (mlত) ব্যৱহাৰ কৰিব লাগিব?

A. 93.75 ✓
B. 125.25
C. 62.25
D. 156.25

**Q6** Divide sum in ratio

কিছুমান লাডু চাৰিটা বাকচ A, B, C আৰু Dত 5:6:8:3 অনুপাতত ভৰোৱা হৈছে। যদি C বাকচত A বাকচতকৈ 225 টা অধিক লাডু আছে, তেন্তে D বাকচটোত কিমানটা লাডু আছে?

A. 225 ✓
B. 275
C. 300
D. 375

**Q7** Dividing in given ratio

এটা স্থানীয় ক্লাবৰ নিৰ্বাচনত দুগৰাকী প্ৰাৰ্থীয়ে লাভ কৰা ভোটৰ অনুপাত আছিল 7 : 5; যদি মুঠ ভোটৰ সংখ্যা 360 আছিল, তেন্তে বিজয়ী প্ৰাৰ্থীগৰাকীয়ে কিমানটা ভোট লাভ কৰিছিল?

A. 240
B. 210 ✓
C. 180
D. 200

**Q8** Fourth proportional

8.6, 10.75, আৰু 6ৰ চতুৰ্থ সমানুপাতিক নিৰ্ণয় কৰক।

A. 7.25
B. 7.2
C. 7.5 ✓
D. 7

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Q9** Fourth proportional

যদি 25, 35, 45.2 আৰু x এই সংখ্যাকেইটা সমানুপাতত আছে, তেন্তে xৰ মান নিৰ্ণয় কৰক।

- A. 63.28 ✓
- B. 56.23
- C. 52.56
- D. 70.78

**Q10** Fourth proportional

2.5, 4, আৰু 10ৰ চতুৰ্থ সমানুপাতিক নিৰ্ণয় কৰক।

- A. 12
- B. 16 ✓
- C. 18
- D. 14

**Q11** Fourth proportional

চাৰিটা সংখ্যা a, b, c, d সমানুপাতত আছে। যদি a = 32, b = 72, আৰু c = 180 হয়, তেন্তে d ৰ মান কিমান?

- A. 415
- B. 410
- C. 405 ✓
- D. 400

**Q12** Income expenditure ratio

A আৰু Bৰ আয়ৰ অনুপাত 5:7 আৰু তেওঁলোকৰ ব্যয়ৰ অনুপাত 3:5 হয়। যদি দুয়োজনে Rs.4200 সঞ্চয় কৰে, তেন্তে Aৰ আয় কিমান?

- A. Rs. 8000
- B. Rs. 10500 ✓
- C. Rs. 12000
- D. Rs. 14000

**Q13** Mean proportional

18 আৰু 45ৰ মাধ্য সমানুপাতিকৰ মান কিমান?

- A. 9√10 ✓
- B. 20√7
- C. 25√5
- D. 10√17

**Q14** Mean proportional

সেই সংখ্যাটো নিৰ্ণয় কৰক, যাক 11 আৰু 67ৰ পৰা বিয়োগ কৰিলে সিঁহতৰ মধ্য সমানুপাতিক 21 হয়।

- A. 8
- B. 4 ✓
- C. 6
- D. 3

**Q15** Mean proportional

এটা আয়তৰ প্ৰস্থ হৈছে 16 cm; যদি 9 cm আৰু 16 cmৰ মাধ্য সমানুপাতিকটো ইয়াৰ দীঘ হয়, তেন্তে আয়তটোৰ দীঘ নিৰ্ণয় কৰক।

- A. 18 cm
- B. 16 cm
- C. 9 cm
- D. 12 cm ✓

**Q16** Quantity from ratio

7 : 2 অনুপাতত নীলা আৰু বগা ৰং মিহলি কৰি এটা ৰঙৰ মিশ্ৰণ তৈয়াৰ কৰা হয়। যদি চিত্ৰকৰ এগৰাকীয়ে 315 লিটাৰ নীলা ৰং ব্যৱহাৰ কৰে, তেন্তে মুঠ কিমান ৰঙৰ মিশ্ৰণ প্ৰস্তুত কৰা হ'ব?

- A. 350 লিটাৰ
- B. 405 লিটাৰ ✓
- C. 490 লিটাৰ
- D. 420 লিটাৰ

**Q17** Quantity from ratio

দুটা সংখ্যাৰ অনুপাত হৈছে 6 : 11; যদি সৰু সংখ্যাটো 18 হয়, তেন্তে ডাঙৰ সংখ্যাটো নিৰ্ণয় কৰক।

- A. 30
- B. 27
- C. 33 ✓
- D. 22

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

**Q18** Ratio after change

দুটা সংখ্যাৰ অনুপাত হৈছে 2 : 9; যদি সৰু সংখ্যাটোৰ সৈতে 4 যোগ কৰা হয় আৰু ডাঙৰ সংখ্যাটোৰ সৈতে 3 যোগ কৰা হয়, তেন্তে অনুপাতটো 1 : 4 হয়। মূল ডাঙৰ সংখ্যাটো নিৰ্ণয় কৰক।

A. 117 ✓

B. 115

C. 120

D. 127

**Q19** Unitary method

যদি এক ডজন বহীৰ মূল্য ₹360 হয়, তেন্তে তেনেধৰণৰ 5 খন বহীৰ মূল্য কিমান হ'ব?

A. ₹180

B. ₹150 ✓

C. ₹160

D. ₹120

**Q20** Unitary method

যদি 5 খন বহীৰ মূল্য ₹125 হয়, তেন্তে একেধৰণৰ 8 খন বহীৰ মূল্য কিমান হ'ব?

A. ₹150

B. ₹200 ✓

C. ₹120

D. ₹180

**Q21** Fractional comparison

মনোজৰ ওজন সঞ্জুৰ ওজনৰ $\frac{5}{7}$ গুণ। সঞ্জুৰ ওজন মনোজৰ ওজনকৈ ভগ্নাংশত কিমান বেছি?

A. $\frac{2}{5}$ ✓

B. $\frac{3}{7}$

C. $\frac{2}{7}$

D. $\frac{7}{5}$

**Q22** Mean proportional

$3 + \sqrt{2}$ আৰু $12 - \sqrt{32}$ৰ মাজৰ মাধ্য সমানুপাত কি?

A. $3\sqrt{6}$

B. $3\sqrt{7}$

C. $2\sqrt{6}$

D. $2\sqrt{7}$ ✓

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

## Arithmetic

4 Questions • Answer Key

**Q1** Alligation on profit

ব্যৱসায়ী এগৰাকীৰ ওচৰত 2650 kg চাউল আছে, ইয়াৰে এটা অংশ তেখেতে 36% লাভ লৈ বিক্ৰী কৰে আৰু বাকীখিনি 16% লাভ লৈ বিক্ৰী কৰে। তেখেতে সামগ্ৰিকভাৱে 28% লাভ আৰ্জন কৰে। লাভ 16%লৈ বিক্ৰী কৰা চাউলৰ পৰিমাণ নিৰ্ণয় কৰক।

A. 1020 kg

B. 1080 kg

C. 1060 kg ✓

D. 1040 kg

**Q2** Mean price of mixture

যদি প্ৰতি kgত ₹40 মূল্যৰ 4 kg চাউলৰ সৈতে প্ৰতি kgত ₹50 মূল্যৰ 6 kg চাউল মিহলি কৰা হয়, তেন্তে মিশ্ৰণটোৰ প্ৰতি kgত দাম কিমান হ'ব (₹ত)?

A. 48

B. 46 ✓

C. 44

D. 50

**Q3** Mean price of mixture

যদি প্ৰতি লিটাৰত ₹30 মূল্যৰ 2 লিটাৰ জুচক প্ৰতি লিটাৰ ₹50 মূল্যৰ 8 লিটাৰ জুচৰ সৈতে মিহলোৱা হয়, তেন্তে মিশ্ৰণটোৰ প্ৰতি লিটাৰৰ মূল্য (₹ত) কিমান হ'ব?

A. 46 ✓

B. 50

C. 48

D. 44

**Q4** Replacement in mixture

এটা পাত্ৰত A আৰু B তৰল 5 : 3 অনুপাতত আছে। যদি মিশ্ৰণটোৰ 16 লিটাৰ উলিয়াই লোৱা হয় আৰু সম পৰিমাণৰ B তৰল যোগ কৰা হয়, তেন্তে অনুপাতটো 3 : 5 হয়। পাত্ৰটোৱে কিমান পৰিমাণ ধাৰণ কৰে?

A. 40 লিটাৰ ✓

B. 47 লিটাৰ

C. 33 লিটাৰ

D. 44 লিটাৰ

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

generated by rank.qmaths.in

## Arithmetic

8 Questions • Answer Key

**Q1** Present age from equations

এগৰাকী ব্যক্তি তেওঁৰ পুত্ৰতকৈ 24 বছৰ ডাঙৰ। বৰ্তমানৰ পৰা দুবছৰ পাছত তেওঁৰ বয়স তেওঁৰ পুত্ৰৰ বয়সৰ দুগুণ হ'ব। তেওঁৰ পুত্ৰৰ বৰ্তমান বয়স নিৰ্ণয় কৰক।

A. 25 বছৰ
B. 21 বছৰ
C. 26 বছৰ
D. 22 বছৰ ✓

**Q2** Present age from equations

5 বছৰ আগতে এগৰাকী মাতৃৰ বয়স তেওঁৰ কন্যাৰ বয়সৰ তিনিগুণতকৈ 12 বছৰ বেছি আছিল। বৰ্তমানৰ পৰা কিমান বছৰৰ পিছত মাতৃগৰাকীৰ বয়স কন্যাৰ বয়সৰ তিনিগুণ হ'ব?

A. 4 বছৰ
B. 3 বছৰ
C. 1 বছৰ ✓
D. 2 বছৰ

**Q3** Present age from past

এগৰাকী মাতৃ আৰু তেওঁৰ কন্যাৰ বৰ্তমান বয়সৰ যোগফল হৈছে 50 বছৰ। পাঁচ বছৰ আগতে, মাতৃৰ বয়স তেওঁৰ কন্যাৰ বয়সৰ সাতগুণ আছিল। কন্যাৰ বৰ্তমান বয়স কিমান?

A. 14 বছৰ
B. 10 বছৰ ✓
C. 11 বছৰ
D. 12 বছৰ

**Q4** Ratio of ages

Bৰ বয়স Aতকৈ যিমান কম, তেওঁৰ বয়স Cতকৈ সিমান বেছি। A আৰু Cৰ বয়সৰ অনুপাত 9 : 8 আৰু তেওঁলোকৰ বয়সৰ সমষ্টি 68 হ'লে, A আৰু Bৰ বয়সৰ পাৰ্থক্য কিমান?

A. 4
B. 2 ✓
C. 5
D. 6

**Q5** Ratio of ages

ৰিয়া আৰু সুমনৰ বয়সৰ অনুপাত 2:3; এতিয়াৰ পৰা 6 বছৰৰ পাছত অনুপাতটো 4:5 হ'বগৈ। ৰিয়াৰ বৰ্তমান বয়স কিমান?

A. 8 বছৰ
B. 6 বছৰ ✓
C. 4 বছৰ
D. 10 বছৰ

**Q6** Ratio of ages

দুগৰাকী ভাতৃৰ বৰ্তমান বয়স 3 : 5 অনুপাতত আছে। এতিয়াৰপৰা 12 বছৰৰ পাছত, তেওঁলোকৰ বয়সৰ অনুপাত 9 : 11 হ'বগৈ। কনিষ্ঠ ভাতৃগৰাকীৰ বৰ্তমান বয়স কিমান?

A. 10 বছৰ
B. 6 বছৰ ✓
C. 12 বছৰ
D. 18 বছৰ

**Q7** Ratio of ages

মানসী আৰু নয়নাৰ বৰ্তমান বয়সৰ অনুপাত 4 : 9 হয়। 6 বছৰৰ পিছত তেওঁলোকৰ বয়সৰ অনুপাত 6 : 11 হ'ব। নয়নাৰ বৰ্তমান বয়স কিমান?

A. 26 বছৰ
B. 27 বছৰ ✓
C. 24 বছৰ
D. 25 বছৰ

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

**Q8** Present age from equations

Xৰ বয়স Yৰ বয়সতকৈ 20% বেছি। যদি তেওঁলোকৰ বয়সৰ সমষ্টি তেওঁলোকৰ বয়সৰ পাৰ্থক্যতকৈ 20 বেছি হয়, তেন্তে তেওঁলোকৰ সংশ্লিষ্ট বয়স (বছৰত) নিৰ্ণয় কৰক।

A. 12 , 14

B. 10 , 14

C. 10 , 13

D. 12 , 10 ✓

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

Arithmetic 13 Questions • Answer Key

**Q1** Find cost price

এটা সামগ্ৰী 20% লাভত বিক্ৰী কৰা হয়। যদি ইয়াৰ বিক্ৰী মূল্য ₹100 বৃদ্ধি কৰা হ'লহেঁতেন, তেন্তে লাভৰ শতাংশ দুগুণ হ'লহেঁতেন। সামগ্ৰীটোৰ ক্ৰয়মূল্য কিমান আছিল?

A. ₹250
B. ₹200
C. ₹500 ✓
D. ₹400

**Q2** Find cost price

এটা লেপটপ 10% লোকচানত আৰু এটা ডেস্কটপ 15% লাভত বিক্ৰী কৰি ৰীতাই মুঠ ₹8,000 লাভ আৰ্জন কৰে। যদি তেওঁ লেপটপটো 10% লাভত আৰু ডেস্কটপটো 20% লাভত বিক্ৰী কৰে, তেন্তে তেওঁ মুঠ ₹20,000 লাভ আৰ্জন কৰে। লেপটপটোৰ ক্ৰয় মূল্য (₹ত) নিৰ্ণয় কৰক।

A. 36,000
B. 40,000 ✓
C. 60,000
D. 80,000

**Q3** Loss percentage basic

যদি এটা বস্তুৰ ক্ৰয়মূল্য ₹500 হয় আৰু বস্তুটো ₹400ত বিক্ৰী কৰা হয়, তেন্তে লোকচানৰ শতাংশ নিৰ্ণয় কৰক।

A. 20% ✓
B. 100%
C. 25%
D. 80%

**Q4** Overall profit or loss

মুকেশ নামৰ এগৰাকী ব্যৱসায়ীয়ে প্ৰতিটো কলম ₹5 দৰত কিছু নিৰ্দিষ্ট সংখ্যক কলম কিনিলে। তেওঁ কলমবোৰৰ দুই-তৃতীয়াংশ 25% লাভত আৰু বাকী থকা কলমবোৰ 10% লোকচানত বিক্ৰী কৰিলে। যদি মুকেশে সৰ্বমুঠ ₹360 লাভ কৰিলে, তেন্তে তেওঁ মুঠতে কিমানটা কলম কিনিছিল?

A. 550
B. 540 ✓
C. 580
D. 530

**Q5** Overall profit or loss

ব্যৱসায়ী এগৰাকীয়ে মুঠ ₹6,000 মূল্যত 10টা সদৃশ বস্তু ক্ৰয় কৰে। তেওঁ তাৰে 6টা বস্তু 15% লাভত আৰু বাকী 4টা বস্তু 10% লোকচানত বিক্ৰী কৰে। তেওঁৰ সামগ্ৰিক লাভ বা লোকচানৰ শতাংশ নিৰ্ণয় কৰক।

A. 10% লোকচান
B. 5% লাভ ✓
C. 10% লাভ
D. 5% লোকচান

**Q6** Overall profit percentage

ৰাজেশে ₹50,000ৰে এটা ব্যৱসায় আৰম্ভ কৰিছিল। প্ৰথম বছৰত তেওঁ 20% লাভ আৰ্জন কৰে। দ্বিতীয় বছৰত তেওঁ আটাইখিনি ধন (মূল + লাভ) পুনৰ বিনিয়োগ কৰে। কিন্তু দ্বিতীয় বছৰত তেওঁ 15% লোকচান ভৰে। দ্বিতীয় বছৰৰ শেষত তেওঁ ব্যৱসায়ৰ বাকী থকা সম্পত্তিখিনি বিক্ৰী কৰি দিয়ে আৰু তাৰোপৰি সহায় হিচাপে অতিৰিক্ত ₹8,000 পায়। তেওঁৰ মূল বিনিয়োগৰ ওপৰত সামগ্ৰিক লাভ বা লোকচানৰ শতাংশ কিমান?

A. 15% লোকচান
B. 20% লাভ
C. 18% লাভ ✓
D. 12% লোকচান

**Q7** Profit percentage basic

এটা আৱাসিক প্লট ₹6,28,200ত ক্ৰয় কৰা হৈছিল আৰু ₹7,09,866ত বিক্ৰী কৰা হৈছিল। লাভৰ শতাংশ কিমান?

A. 17%
B. 19%
C. 11%
D. 13% ✓

**Q8** Profit percentage basic

দোকানী এগৰাকীয়ে কিছুমান পেঞ্চিল ₹35ত 6 ডালকৈ ক্ৰয় কৰে আৰু সেইবোৰ ₹65ত 10 ডালকৈ বিক্ৰী কৰে। তেওঁৰ লাভৰ শতাংশ হৈছে ________% (দশমিকৰ পাছৰ 2টা স্থানলৈ আসন্ন মান)।

A. 11.34
B. 13.41
C. 13.14
D. 11.43 ✓

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Q9** Successive profit and loss

অৰৱিন্দই এটা সামগ্ৰী ₹xত ক্ৰয় কৰিছিল। তেওঁ সেইটো বিৰুক 5% লোকচানত বিক্ৰী কৰিছিল। বিৰুৱে ইয়াৰ পৰিবহণৰ বাবদ ₹118 খৰচ কৰিছিল আৰু ইয়াক 40% লাভ লৈ মিনুক বিক্ৰী কৰিছিল। যদি মিনুৱে ইয়াক ₹1,841ত ক্ৰয় কৰিছিল, তেন্তে xৰ মান কিমান?

A. ₹1,261

B. ₹1,251

C. ₹1,225

D. ₹1,260 ✓

**Q10** Successive profit and loss

অৰৱিন্দই এটা বস্তু ₹xত ক্ৰয় কৰে। তেওঁ বস্তুটো 25% লোকচানত বীৰুক বিক্ৰী কৰে। বীৰুৱে বস্তুটোৰ অনা-নিয়াৰ বাবাদ ₹157 খৰচ কৰে আৰু 40% লাভত মিনুক বিক্ৰী কৰে। যদি মিনুৱে বস্তুটো ₹1,715ত ক্ৰয় কৰে, তেন্তে xৰ মান (₹ত) কিমান?

A. 1,424 ✓

B. 1,408

C. 1,414

D. 1,446

**Q11** Successive profit and loss

অৰবিন্দই এটা সামগ্ৰী ₹xত ক্ৰয় কৰে। তেওঁ ইয়াক বীৰুক 15% লোকচানত বিক্ৰী কৰিলে। বীৰুৱে ইয়াৰ পৰিবহনত ₹101 খৰচ কৰিলে আৰু ইয়াক মিনুক 50% লাভত বিক্ৰী কৰিলে। যদি মিনুৱে ইয়াক ₹1,554ত ক্ৰয় কৰিছিল, তেন্তে xৰ মান কিমান?

A. 1,126

B. 1,068

C. 1,087

D. 1,100 ✓

**Q12** Successive profit and loss

অৰবিন্দই এটা সামগ্ৰী ₹xত ক্ৰয় কৰে। তেওঁ ইয়াক বীৰুক 16% লোকচানত বিক্ৰী কৰিলে। বীৰুৱে ইয়াৰ পৰিবহনত ₹147 খৰচ কৰিলে আৰু ইয়াক মিনুক 40% লাভত বিক্ৰী কৰিলে। যদি মিনুৱে ইয়াক ₹1,617ত ক্ৰয় কৰিছিল, তেন্তে xৰ মান কিমান?

A. 1,186

B. 1,204

C. 1,200 ✓

D. 1,227

**Q13** Successive profit and loss

অৰবিন্দই ₹xত এটা সামগ্ৰী ক্ৰয় কৰিলে। তেওঁ সেইটোক 26% লোকচানত বীৰুক বিক্ৰী কৰিলে। বিৰুৱে সেইটোৰ পৰিবহণৰ বাবে ₹102 ব্যয় কৰিলে আৰু 50% লাভত মিনুক বিক্ৰী কৰিলে। যদি মিনুৱে সেইটো ₹1,374ত ক্ৰয় কৰে, তেন্তে xৰ মান কিমান?

A. 1,060

B. 1,100 ✓

C. 1,120

D. 1,080

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

generated by rank.qmaths.in

**Q1** Successive discount

চাৰিখন দোকান I, II, III আৰু IVত এটা কুকাৰৰ ছপামূল্য একেই। কুকাৰটোৰ ছপামূল্যৰ ওপৰত দোকান Iয়ে 84% আৰু 97%ৰ দুটা ক্ৰমাগত ৰেহাই দিয়ে, দোকান IIয়ে 42% আৰু 94%ৰ ক্ৰমাগত ৰেহাই দিয়ে, দোকান IIIয়ে 50% আৰু 85%ৰ ক্ৰমাগত ৰেহাই দিয়ে আৰু দোকান IVয়ে 89%, 37% আৰু 82%ৰ ক্ৰমাগত ৰেহাই দিয়ে। কোনখন দোকানে আটাইতকৈ কম মূল্যত কুকাৰটো বিক্ৰী কৰিছে?

- A. II
- B. I ✓
- C. IV
- D. III

**Q2** Successive discount comparison

চাৰিখন দোকান I, II, III আৰু IVত কুকাৰ এটাৰ ছপা মূল্য সমান। কুকাৰটোৰ ছপা মূল্যৰ ওপৰত দোকান I-ত 46% আৰু 13%ৰ দুটা ক্ৰমাগত ৰেহাই, দোকান IIত 55% আৰু 69%ৰ ক্ৰমাগত ৰেহাই, দোকান IIIত 47% আৰু 68%ৰ ক্ৰমাগত ৰেহাই আৰু দোকান IVত 91%, 98% আৰু 18%ৰ ক্ৰমাগত ৰেহাই আগবঢ়োৱা হৈছে। কোনখন দোকানে সৰ্বনিম্ন মূল্যত কুকাৰটো বিক্ৰী কৰিছে?

- A. II
- B. IV ✓
- C. III
- D. I

**Q3** Successive discount comparison

চাৰিখন দোকান I, II, III আৰু IVত এটা কুকাৰৰ ছপা মূল্য একেই। কুকাৰটোৰ ছপা মূল্যৰ ওপৰত দোকান Iত 80% আৰু 44%ৰ দুটা ক্ৰমাগত ৰেহাই, দোকান IIত 58% আৰু 62%ৰ ক্ৰমাগত ৰেহাই, দোকান IIIত 67% আৰু 85%ৰ ক্ৰমাগত ৰেহাই আৰু দোকান IVত 41%, 91% আৰু 74%ৰ ক্ৰমাগত ৰেহাই আগবঢ়োৱা হৈছে। কোনখন দোকানে আটাইতকৈ কম মূল্যত কুকাৰটো বিক্ৰী কৰিছে?

- A. II
- B. IV ✓
- C. I
- D. III

**Q4** Successive discount comparison

চাৰিখন দোকান I, II, III আৰু IVত এটা কুকাৰৰ ছপা মূল্য একেই। কুকাৰটোৰ ছপা মূল্যৰ ওপৰত দোকান Iয়ে 32% আৰু 67%ৰ দুটা ক্ৰমাগত ৰেহাই প্ৰদান কৰে, দোকান IIয়ে 98% আৰু 40%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে, দোকান IIIয়ে 37% আৰু 74%ৰ ক্ৰমাগত ৰেহাই আৰু দোকান IVয়ে 29%, 47% আৰু 92%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে।
কোনখন দোকানে আটাইতকৈ কম মূল্যত কুকাৰটো বিক্ৰী কৰিছে?

- A. II ✓
- B. III
- C. I
- D. IV

**Q5** Successive discount comparison

চাৰিখন দোকান I, II, III আৰু IVত কুকাৰ এটাৰ ছপা মূল্য সমান। কুকাৰটোৰ ছপা মূল্যৰ ওপৰত দোকান Iয়ে 87% আৰু 14%ৰ দুটা ক্ৰমাগত ৰেহাই প্ৰদান কৰে, দোকান IIয়ে 16% আৰু 92%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে, দোকান IIIয়ে 60% আৰু 35%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে আৰু দোকান IVয়ে 58%, 29% আৰু 87%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে। কোনখন দোকানে আটাইতকৈ কম মূল্যত কুকাৰটো বিক্ৰী কৰিছে?

- A. I
- B. IV ✓
- C. III
- D. II

**Q6** Successive discount comparison

চাৰিখন দোকান I, II, III আৰু IVত এটা কুকাৰৰ ছপা মূল্য একেই। কুকাৰটোৰ ছপা মূল্যৰ ওপৰত দোকান Iয়ে 12% আৰু 79%ৰ দুটা ক্ৰমাগত ৰেহাই প্ৰদান কৰে, দোকান IIয়ে 33% আৰু 19%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে, দোকান IIIয়ে 38% আৰু 39%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে আৰু দোকান IVয়ে 55%, 79% আৰু 34%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে। কোনখন দোকানে আটাইতকৈ কম মূল্যত কুকাৰটো বিক্ৰী কৰিছে?

- A. II
- B. I
- C. III
- D. IV ✓

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

**Q7** Successive discount comparison

চাৰিখন দোকান I, II, III আৰু IVত এটা কুকাৰৰ ছপা মূল্য একেই। দোকান Iয়ে কুকাৰটোৰ ছপা মূল্যত 58% আৰু 36%ৰ দুটা ক্ৰমাগত ৰেহাই প্ৰদান কৰে, দোকান IIয়ে 73% আৰু 91%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে, দোকান IIIয়ে 76% আৰু 88%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে আৰু দোকান IVয়ে 79%, 68% আৰু 96%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে। কোনখন দোকানে আটাইতকৈ কম মূল্যত কুকাৰটো বিক্ৰী কৰিছে?

- A. II
- B. I
- C. III
- D. IV ✓

**Q8** Successive discount comparison

চাৰিখন দোকান I, II, III আৰু IVত এটা কুকাৰৰ ছপা মূল্য একে। দোকান Iয়ে কুকাৰটোৰ ছপা মূল্যৰ ওপৰত 66% আৰু 88%ৰ দুটা ক্ৰমাগত ৰেহাই প্ৰদান কৰে, দোকান IIয়ে 78% আৰু 70%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে, দোকান IIIয়ে 89% আৰু 35%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে আৰু দোকান IVয়ে কুকাৰটোৰ ছপা মূল্যৰ ওপৰত 27%, 65% আৰু 59%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে। কোনখন দোকানে আটাইতকৈ কম মূল্যত কুকাৰটো বিক্ৰী কৰিছে?

- A. II
- B. III
- C. I ✓
- D. IV

**Q9** Successive discount comparison

চাৰিখন দোকান I, II, III আৰু IVত এটা কুকাৰৰ ছপা মূল্য একে। দোকান Iয়ে কুকাৰটোৰ ছপা মূল্যৰ ওপৰত 54% আৰু 61%ৰ দুটা ক্ৰমাগত ৰেহাই প্ৰদান কৰে, দোকান IIয়ে 17% আৰু 49%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে, দোকান IIIয়ে 25% আৰু 36%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে আৰু দোকান IVয়ে কুকাৰটোৰ ছপা মূল্যৰ ওপৰত 95%, 20% আৰু 68%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে। কোনখন দোকানে আটাইতকৈ কম মূল্যত কুকাৰটো বিক্ৰী কৰিছে?

- A. III
- B. I
- C. II
- D. IV ✓

**Q10** Successive discount comparison

চাৰিখন দোকান I, II, III আৰু IVত কুকাৰ এটাৰ ছপা মূল্য একে। কুকাৰটোৰ ছপা মূল্যত দোকান I-ত 90% আৰু 61%ৰ দুটা ক্ৰমাগত ৰেহাই, দোকান IIত 15% আৰু 98%ৰ ক্ৰমাগত ৰেহাই, দোকান IIIত 28% আৰু 99%ৰ ক্ৰমাগত ৰেহাই আৰু দোকান IVত 91%, 37% আৰু 95%ৰ ক্ৰমাগত ৰেহাই আগবঢ়োৱা হৈছে।
কোনখন দোকানে সৰ্বনিম্ন মূল্যত কুকাৰ বিক্ৰী কৰিছে?

- A. IV ✓
- B. III
- C. I
- D. II

**Q11** Successive discount comparison

চাৰিখন দোকান I, II, III আৰু IVত এটা কুকাৰৰ ছপা মূল্য একেই। কুকাৰটোৰ ছপা মূল্যৰ ওপৰত দোকান Iত 57% আৰু 29%ৰ দুটা ক্ৰমাগত ৰেহাই দিয়া হয়, দোকান IIত 76% আৰু 35%ৰ ক্ৰমাগত ৰেহাই দিয়া হয়, দোকান IIIত 53% আৰু 86%ৰ ক্ৰমাগত ৰেহাই দিয়া হয় আৰু দোকান IVত 58%, 13% আৰু 12%ৰ ক্ৰমাগত ৰেহাই দিয়া হয়। কোনখন দোকানে আটাইতকৈ কম মূল্যত কুকাৰটো বিক্ৰী কৰিছে?

- A. IV
- B. II
- C. III ✓
- D. I

**Q12** Successive discount comparison

চাৰিখন দোকান I, II, III আৰু IVত এটা কুকাৰৰ ছপা মূল্য একে। দোকান Iয়ে কুকাৰটোৰ ছপা মূল্যৰ ওপৰত 14% আৰু 87%ৰ দুটা ক্ৰমাগত ৰেহাই প্ৰদান কৰে, দোকান IIয়ে 96% আৰু 76%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে, দোকান IIIয়ে 22% আৰু 92%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে আৰু দোকান IVয়ে কুকাৰটোৰ ছপা মূল্যৰ ওপৰত 16%, 89% আৰু 57%ৰ ক্ৰমাগত ৰেহাই প্ৰদান কৰে। কোনখন দোকানে আটাইতকৈ কম মূল্যত কুকাৰটো বিক্ৰী কৰিছে?

- A. IV
- B. I
- C. III
- D. II ✓

Blackbook Vocabulary — Now in the App! ▸ Download Now on Google Play

generated by rank.qmaths.in

**Q13** Successive to single discount

এগৰাকী ব্যৱসায়ীয়ে এটা সামগ্ৰীৰ ছপামূল্যত ক্ৰমে 50% আৰু 14%ৰ দুটা ক্ৰমাগত ৰেহাই প্ৰদান কৰি বিক্ৰী কৰাৰ পিছতো 72% লাভ অৰ্জন কৰে। যদি সামগ্ৰীটোৰ ক্ৰয়মূল্য 36% বৃদ্ধি হয়, তেন্তে পূৰ্বৰ সমান লাভৰ শতাংশ পাবলৈ তেওঁ একেটা ছপামূল্যত এতিয়া কিমান শতাংশৰ একক ৰেহাই প্ৰদান কৰিব লাগিব?

A. 40.56%
B. 41.52% ✓
C. 46.78%
D. 47.46%

**Q14** Successive to single discount

এগৰাকী ব্যৱসায়ীয়ে এটা সামগ্ৰীৰ ছপামূল্যত ক্ৰমে 25% আৰু 80%ৰ দুটা ক্ৰমাগত ৰেহাই প্ৰদান কৰি বিক্ৰী কৰাৰ পিছতো 50% লাভ অৰ্জন কৰে। যদি সামগ্ৰীটোৰ ক্ৰয়মূল্য 74% বৃদ্ধি হয়, তেন্তে পূৰ্বৰ সমান লাভৰ শতাংশ পাবলৈ তেওঁ একেটা ছপা মূল্যত এতিয়া কিমান শতাংশৰ একক ৰেহাই প্ৰদান কৰিব লাগিব?

A. 66.56%
B. 73.9% ✓
C. 69.5%
D. 72.62%

**Q15** Markup and discount profit

এগৰাকী ব্যৱসায়ীয়ে এটা বস্তু ইয়াৰ সূচী মূল্যৰ 25% ৰেহাইত কিনে আৰু ইয়াৰ ছপা মূল্য সূচী মূল্যতকৈ 35% বঢ়াই লিখে। যদি তেওঁ এই নতুন ছপা মূল্যৰ ওপৰত 20% ৰেহাই দিয়ে, তেন্তে তেওঁৰ লাভৰ শতাংশ নিৰ্ণয় কৰক।

A. 36%
B. 42%
C. 34%
D. 44% ✓

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

## Arithmetic

5 Questions • Answer Key

**Q1** Profit sharing ratio

A আৰু Bয়ে এটা ব্যৱসায়ত একে সময়ৰ বাবে ক্রমে ₹24,000 আৰু ₹36,000 বিনিয়োগ কৰে। অৰ্জন কৰা লাভটো A আৰু Bৰ মাজত কিমান অনুপাতত ভাগ কৰিব লাগিব নির্ণয় কৰক।

- A. 2 : 3 ✓
- B. 5 : 4
- C. 3 : 2
- D. 4 : 5

**Q2** Profit sharing ratio

A আৰু Bয়ে যৌথভাৱে এটা ব্যৱসায় আৰম্ভ কৰে। Aৰ বিনিয়োগ Bৰ বিনিয়োগৰ তিনিগুণৰ সমান। বাৰ্ষিক লাভ ₹5,524ত Aৰ অংশ নির্ণয় কৰক।

- A. ₹4,123
- B. ₹4,143 ✓
- C. ₹4,113
- D. ₹4,133

**Q3** Time-based profit share

অমিত আৰু ভৰতে ক্রমে ₹40,000 আৰু ₹55,000 ধনৰাশিৰ বিনিয়োগেৰে এটা ব্যৱসায় আৰম্ভ কৰিলে। 6 মাহৰ পাছত, চেতনে ₹60,000 লৈ ব্যৱসায়টোত যোগ দিলে। যদি বাৰ্ষিক লাভ ₹47,400 হয়, তেন্তে ভৰতৰ লাভাংশ কিমান?

- A. ₹20,886
- B. ₹20,756
- C. ₹20,856 ✓
- D. ₹20,716

**Q4** Time-based profit share

P, Q আৰু R নামৰ তিনিগৰাকী অংশীদাৰে 5 : 4 : 3 অনুপাতত মূলধন বিনিয়োগ কৰি এটা ব্যৱসায় আৰম্ভ কৰে। এবছৰৰ শেষত ব্যৱসায়টোৱে মুঠ Rs. 48,000 লাভ আৰ্জন কৰে। যদিহে Qয়ে 6 মাহৰ পাছত নিজৰ বিনিয়োগ উঠাই লয়, আনহাতে P আৰু Rয়ে গোটেই বছৰটো তেওঁলোকৰ বিনিয়োগ ব্যৱসায়ত ৰাখে, তেন্তে Qয়ে কিমান পৰিমাণৰ লাভ পাব লাগে?

- A. Rs. 8,000
- B. Rs. 6,000
- C. Rs. 9,600 ✓
- D. Rs. 12,000

**Q5** Time-based profit share

A, B আৰু Cয়ে প্ৰত্যেকে ₹10000কৈ বিনিয়োগ কৰি এটা ব্যৱসায় আৰম্ভ কৰে; 4 মাহৰ পিছত, Aয়ে ₹3000 আৰু Bয়ে ₹4000 উলিয়াই আনে, কিন্তু Cয়ে আৰু ₹3000 বিনিয়োগ কৰে। বছৰটোৰ শেষত যদি মুঠ লাভ ₹65600 হয়, তেন্তে বছৰৰ শেষত Cৰ অংশ নির্ণয় কৰক।

- A. ₹22700
- B. ₹28800 ✓
- C. ₹24600
- D. ₹29800

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

## Arithmetic

13 Questions • Answer Key

**Q1** Equal installments

এক্স ডাঙৰীয়াই 40 মাহৰ বাবে ₹50,000 টকা ধাৰলৈ লৈছিল। যদি তেওঁ মাহিলী কিস্তি হিচাপে ₹1,625 কৈ পৰিশোধ কৰে, তেন্তে সৰল সুতৰ হাৰ নিৰ্ণয় কৰক।

- A. 6.8%
- B. 7.5%
- C. 8%
- D. 9% ✓

**Q2** Find principal from SI

কিমান ধনে (₹ত) বাৰ্ষিক 8% সুতৰ হাৰত 4 বছৰত ₹960 সৰল সুত আৰ্জন কৰিব?

- A. 6000
- B. 1500
- C. 4800
- D. 3000 ✓

**Q3** Find principal from SI

বছৰি 12% সুতৰ হাৰত 4 বছৰত ₹960 সৰল সুত আৰ্জন কৰিবলৈ মূলধনৰ পৰিমাণ (₹ত) কিমান হ'ব লাগিব?

- A. 4000
- B. 1000
- C. 6000
- D. 2000 ✓

**Q4** Find principal from SI

পদ্মিনীয়ে বছৰি 10% হাৰৰ সৰল সুতত 5 বছৰৰ বাবে এটা নিৰ্দিষ্ট পৰিমাণৰ ধনৰাশি ধাৰলৈ লৈছিল। যদি 5 বছৰৰ পাছত পৰিশোধ কৰিবলগীয়া মুঠ ধনৰ পৰিমাণ ₹24,000 হয়, তেন্তে ধনৰাশিটো নিৰ্ণয় কৰক।

- A. ₹15,800
- B. ₹18,000
- C. ₹16,000 ✓
- D. ₹17,400

**Q5** Find simple interest

বছৰি 5% হাৰৰ সৰল সুতত 2 বছৰত ₹10,000ৰ সৰল সুত কিমান হ'ব?

- A. ₹1,000 ✓
- B. ₹800
- C. ₹1,200
- D. ₹1,500

**Q6** Find simple interest

কোনো এটা বেংকে বছৰি 5% হাৰত সৰল সুত প্ৰদান কৰিলে, ₹20,000 জমাধনৰ ওপৰত আৰ্জিত বছৰেকীয়া সুত (₹ত) কিমান হ'ব?

- A. 1800
- B. 1000 ✓
- C. 1200
- D. 1500

**Q7** Find simple interest

বছৰি 12% হাৰৰ সুতত 4.5 বছৰৰ বাবে ধাৰলৈ লোৱা ₹500 ধনৰাশিৰ সৰল সুত (₹ত) নিৰ্ণয় কৰক।

- A. 270 ✓
- B. 370
- C. 250
- D. 320

**Q8** Find simple interest

বছৰি 29% হাৰৰ সুতত 3.5 বছৰৰ বাবে ধাৰলৈ লোৱা ₹500 ধনৰাশিৰ সৰল সুত (₹ত) নিৰ্ণয় কৰক।

- A. 330
- B. 350 ✓
- C. 400
- D. 450

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

generated by rank.qmaths.in

**Q9** Find simple interest

বছৰি 12% হাৰৰ সুতত 2.5 বছৰৰ বাবে ধাৰলৈ লোৱা ₹550 ধনৰাশিৰ সৰল সুত (₹ত) নিৰ্ণয় কৰক।

A. 150

B. 145

C. 155

D. 165 ✓

**Q11** Find time from SI

বছৰি 6% হাৰৰ সৰল সুতত ₹12,000ত সুত হিচাপে ₹2,160 অৰ্জন কৰিবলৈ কিমান সময় (বছৰত) লাগিব?

A. 2.5 বছৰ

B. 2 বছৰ

C. 3.5 বছৰ

D. 3 বছৰ ✓

**Q10** Find simple interest

বছৰি 20% হাৰৰ সুতত 2.5 বছৰৰ বাবে ধাৰলৈ লোৱা ₹550 ধনৰাশিৰ সৰল সুত (₹ত) নিৰ্ণয় কৰক।

A. 275 ✓

B. 255

C. 325

D. 375

**Q12** Simple interest calculation

প্ৰতি মাহে 6% হাৰৰ সুতত 10 মাহত ₹1,200ৰ সৰল সুত (₹ত) নিৰ্ণয় কৰক।

A. 80

B. 60

C. 720 ✓

D. 120

**Q13** Find rate from SI

সৰল সুতত বিনিয়োগ কৰা ₹800 ধনৰাশিটোৰ 8 বছৰৰ সুতে-মূলে ₹1,200 হয়। বাৰ্ষিক সুতৰ হাৰ নিৰ্ণয় কৰক।

A. $6\%$

B. $\frac{25}{4}\%$ ✓

C. $6.5\%$

D. $6\frac{1}{3}\%$

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

Arithmetic

29 Questions • Answer Key

**Q1** Amount at compound interest

বাৰ্ষিক 12% হাৰৰ চক্ৰবৃদ্ধি সুতত, বাৰ্ষিক চক্ৰবৃদ্ধি হ'লে, 2 বছৰত ₹2,000 ধনৰাশিৰ সুতে মূলে কিমান হ'ব?

A. ₹2,520.80
B. ₹2,608.80
C. ₹2,450.80
D. ₹2,508.80 ✓

**Q2** Amount at compound interest

শচীনে বাৰ্ষিক 20% হাৰৰ চক্ৰবৃদ্ধি সুতত, বাৰ্ষিক চক্ৰবৃদ্ধিত হোৱাকৈ, ₹14,525 জমা কৰিলে। 2 বছৰৰ পিছত শচীনে লাভ কৰা সবৃদ্ধিমূল নিৰ্ণয় কৰক।

A. ₹20,910
B. ₹21,073
C. ₹20,916 ✓
D. ₹20,720

**Q3** Amount at compound interest

যশপ্ৰীতে বছৰি চক্ৰবৃদ্ধি হোৱাকৈ, বছৰি 20% হাৰৰ সুতত ₹64,750 জমা থৈছিল। যশপ্ৰীতে 2 বছৰৰ পিছত লাভ কৰা সবৃদ্ধিমূল কিমান হ'ব?

A. ₹92,875
B. ₹93,240 ✓
C. ₹93,080
D. ₹93,349

**Q4** CI SI difference

বাৰ্ষিক 8% হাৰত ₹5,000 ধনৰাশি 2 বছৰৰ বাবে বিনিয়োগ কৰা হয়। চক্ৰবৃদ্ধি সুত, বাৰ্ষিক চক্ৰবৃদ্ধি হ'লে আৰু সৰল সুতৰ (₹ত) মাজৰ পাৰ্থক্য নিৰ্ণয় কৰক।

A. ₹80
B. ₹50
C. ₹32 ✓
D. ₹20

**Q5** CI minus SI difference

বছৰি 5% হাৰৰ সুতত 2 বছৰ সময়ৰ বাবে ₹15,000 মূলধনৰ চক্ৰবৃদ্ধি সুত আৰু সৰল সুতৰ মাজৰ পাৰ্থক্য কিমান?

A. ₹41.90
B. ₹33.60
C. ₹37.50 ✓
D. ₹42.10

**Q6** CI minus SI difference

বাৰ্ষিক 18% হাৰত 3 বছৰৰ চক্ৰবৃদ্ধি সুত (বছৰি চক্ৰবৃদ্ধি হোৱা) আৰু সৰল সুতৰ মাজৰ পাৰ্থক্য হৈছে ₹25,758; ধাৰলৈ দিয়া মূলধনৰ পৰিমাণ কিমান?

A. ₹4,00,000
B. ₹3,50,000
C. ₹2,50,000 ✓
D. ₹3,00,000

**Q7** CI minus SI difference

বছৰি R% একেটা সুতৰ হাৰত ₹20,000 ধনৰাশিৰ 2 বছৰৰ চক্ৰবৃদ্ধি সুত (বাৰ্ষিকভাৱে চক্ৰবৃদ্ধি হোৱা) আৰু সৰল সুতৰ মাজত পাৰ্থক্য হৈছে ₹162; Rৰ মান কিমান?

A. 8
B. 6
C. 7
D. 9 ✓

**Q8** CI minus SI difference

এগৰাকী ব্যক্তিয়ে দেখা পালে যে এক নিৰ্দিষ্ট মূলধনত বছৰি 5% হাৰৰ সুতত 3 বছৰৰ চক্ৰবৃদ্ধি সুত, ইয়াৰ সৰল সুততকৈ ₹61 বেছি হয়। মূলধনটো কিমান?

A. ₹8,000 ✓
B. ₹7,890
C. ₹9,400
D. ₹8,200

Blackbook Vocabulary — Now in the App! ► Download Now on Google Play

**Q9** CI minus SI difference

বছৰি 20% হাৰৰ সুতত 3 বছৰৰ চক্ৰবৃদ্ধি সুত (বছৰি চক্ৰবৃদ্ধি হোৱা) আৰু সৰল সুতৰ মাজৰ পাৰ্থক্য হৈছে ₹624; ধাৰলৈ দিয়া মূলধনৰ পৰিমাণ কিমান?

A. ₹6,075
B. ₹4,875 ✓
C. ₹5,975
D. ₹3,775

**Q10** Compound growth rate

এখন নগৰৰ জনসংখ্যা প্ৰতি বছৰে 25% বৃদ্ধি হয়। যদি বৰ্তমানৰ জনসংখ্যা 16,000 হয়, তেন্তে 3 বছৰৰ পাছত জনসংখ্যা কিমান হ'ব?

A. 28,800
B. 32,000
C. 30,250
D. 31,250 ✓

**Q11** Depreciation

এটা যন্ত্ৰ ₹18,200ত ক্ৰয় কৰা হ'ল আৰু ইয়াৰ মূল্য প্ৰতিবছৰে 10% হ্ৰাস পায়। যদি হ্ৰাসৰ পৰিমাণ বাৰ্ষিক চক্ৰবৃদ্ধি হিচাপত হয়, তেন্তে 2 বছৰৰ পাছত যন্ত্ৰটোৰ মূল্য কিমান হ'ব?

A. ₹16,480
B. ₹15,200
C. ₹14,742 ✓
D. ₹13,424

**Q12** Depreciation

₹2,20,000 দামৰ গাড়ী এখনৰ মূল্য বছৰি 5% হাৰত বছৰি চক্ৰবৃদ্ধি গণনাত হ্ৰাস হয়। ইয়াৰ মূল্য (₹ত) 2 বছৰৰ পাছত কিমান?

A. 1,98,550 ✓
B. 1,80,500
C. 1,75,000
D. 1,85,500

**Q13** Equal amounts division

ঋষিৰ ওচৰত ₹1,681 আছিল, যিখিনি তেওঁ তেওঁৰ দুজন পুত্ৰ শ্বান আৰু পীয়ুষৰ মাজত ভগাই দিলে আৰু তেওঁলোকক তেওঁলোকৰ সংশ্লিষ্ট ধনৰাশিক বাৰ্ষিক 5% হাৰৰ চক্ৰবৃদ্ধি সুতত, বাৰ্ষিক চক্ৰবৃদ্ধিত হোৱাকৈ বিনিয়োগ কৰিবলৈ পৰামৰ্শ দিলে। 13 বছৰৰ পিছত শ্বানে বিনিয়োগ কৰা ধনৰাশিৰ সুতেমূলে, 14 বছৰৰ পিছত পীয়ুষে বিনিয়োগ কৰা ধনৰাশিৰ সুতেমূলে সমান হয়। ঋষিয়ে শ্বানক কিমান ধন (₹ত) দিছিল নিৰ্ণয় কৰক।

A. 920
B. 820
C. 711
D. 861 ✓

**Q14** Equal amounts division

পিয়ুষৰ হাতত ₹1,681 আছে। তেওঁ এই ধনখিনি নিজৰ দুগৰাকী পুত্ৰ মনোজ আৰু আনন্দৰ মাজত ভগাই দিয়ে আৰু দুয়োকে নিজ নিজ অংশ বাৰ্ষিক চক্ৰবৃদ্ধি হোৱাকৈ 5% বাৰ্ষিক হাৰত বিনিয়োগ কৰিবলৈ কয়। দেখা গ'ল যে যথাক্ৰমে 16 বছৰ আৰু 17 বছৰৰ পিছত মনোজ আৰু আনন্দে সমান সবৃদ্ধিমূল লাভ কৰে। পিয়ুষে মনোজক কিমান ধন (₹ত) দিছিল?

A. 820
B. 711
C. 920
D. 861 ✓

**Q15** Equal amounts division

অৰুণৰ ওচৰত ₹1,681 আছে। তেওঁ এই ধনৰাশি তেওঁৰ দুজন পুত্ৰ মহেশ আৰু বিজয়ৰ মাজত ভগাই দিলে। মহেশে তেওঁৰ ভাগৰ ধনৰাশি বাৰ্ষিক চক্ৰবৃদ্ধিত, বাৰ্ষিক 5% হাৰত 17 বছৰৰ বাবে বিনিয়োগ কৰিলে আৰু বিজয়ে তেওঁৰ ভাগৰ ধনৰাশি একে সুতৰ হাৰত 18 বছৰৰ বাবে বিনিয়োগ কৰিলে। নিৰ্দিষ্ট সংশ্লিষ্ট (নিজা নিজা বা respective) সময়ৰ শেষত দুয়োজনে সমান পৰিমাণৰ ধন (সবৃদ্ধিমূল) লাভ কৰিলে। মহেশক দিয়া ধনৰাশি (₹ত) নিৰ্ণয় কৰক।

A. 711
B. 861 ✓
C. 820
D. 920

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

generated by rank.qmaths.in

**Q16** Equal amounts division

কৃষৰ হাতত ₹1681 আছিল। তেওঁ এই ধনখিনি তেওঁৰ দুগৰাকী পুত্ৰ বীৰ আৰু নীতিনৰ মাজত ভগাই দিলে আৰু তেওঁলোকক বাৰ্ষিক 5% হাৰৰ চক্ৰবৃদ্ধি সুতত, বাৰ্ষিক চক্ৰবৃদ্ধি হোৱাকৈ, বিনিয়োগ কৰিবলৈ ক'লে। দেখা গ'ল যে বীৰ আৰু নীতিনে ক্ৰমে 12 বছৰ আৰু 13 বছৰৰ অন্তত সমান পৰিমাণৰ ধন লাভ কৰিছিল। কৃষে বীৰক কিমান ধন দিছিল (₹ত)?

- A. 820
- B. 861 ✓
- C. 920
- D. 711

**Q17** Find principal from CI

এটা নিৰ্দিষ্ট ধনৰাশিক বাৰ্ষিক 15% হাৰৰ চক্ৰবৃদ্ধি সুতত বছৰি চক্ৰবৃদ্ধি কৰিলে, 2 বছৰৰ মুঠ সুত ₹4,837.50 হয়। মূলধনটো নিৰ্ণয় কৰক।

- A. ₹12,000
- B. ₹14,000
- C. ₹13,000
- D. ₹15,000 ✓

**Q18** Find rate from amount

এটা নিৰ্দিষ্ট হাৰৰ চক্ৰবৃদ্ধি সুতত বছৰি চক্ৰবৃদ্ধি কৰিলে ₹4,000 ধনৰাশিৰ 2 বছৰৰ সুতে-মূলে ₹4,410 হয়। বাৰ্ষিক সুতৰ হাৰ নিৰ্ণয় কৰক (শতাংশত)।

- A. 5% ✓
- B. 7.5%
- C. 10%
- D. 2.5%

**Q19** Half-yearly compounding

₹10,000ৰ ওপৰত বাৰ্ষিক 8% সুতৰ হাৰত 1 বছৰৰ বাবে অৰ্ধ-বাৰ্ষিকভাৱে আৰু বাৰ্ষিকভাৱে গণনা কৰা চক্ৰবৃদ্ধি সুতৰ অনুপাত নিৰ্ণয় কৰক।

- A. 62 : 49
- B. 61 : 52
- C. 51 : 50 ✓
- D. 53 : 45

**Q20** Half-yearly compounding

অৰ্ধবাৰ্ষিকভাৱে চক্ৰবৃদ্ধি হোৱাকৈ, বাৰ্ষিক 20% হাৰৰ সুতত ₹10,000 ধনৰাশি 2 বছৰৰ বাবে বিনিয়োগ কৰা হয়। 2 বছৰৰ অন্তত অৰ্জন কৰা চক্ৰবৃদ্ধি সুত কিমান?

[$(1.10)^4$ = 1.4641 ধৰক]

- A. ₹4,641 ✓
- B. ₹4,660
- C. ₹4,440
- D. ₹4,461

**Q21** Half-yearly compounding

বছৰি 8% হাৰত, ছমাহত চক্ৰবৃদ্ধি হ'লে, 1.5 বছৰৰ ₹10,000 ৰ চক্ৰবৃদ্ধি সুত (₹ত, নিকটতম দহকৰ স্থানৰ আসন্ন মানত) নিৰ্ণয় কৰক।

- A. 1,250 ✓
- B. 1,450
- C. 1,350
- D. 1,150

**Q22** Half-yearly compounding

বাৰ্ষিক 10% হাৰত 1.5 বছৰৰ বাবে ₹12,000ৰ চক্ৰবৃদ্ধি সুত, ছমাহত চক্ৰবৃদ্ধি হোৱাকৈ, নিৰ্ণয় কৰক (₹ত, নিকটতম দহকৰ স্থানৰ আসন্ন মানত)।

- A. 1,970
- B. 1,890 ✓
- C. 1,870
- D. 1,980

**Q23** Half-yearly compounding

বাৰ্ষিক 20% হাৰৰ সুতত, অৰ্ধ-বাৰ্ষিকভাৱে চক্ৰবৃদ্ধি কৰিলে ₹1,50,000 ধনৰাশিৰ 2 বছৰৰ চক্ৰবৃদ্ধি সুত (₹ত) কিমান?

- A. 69615 ✓
- B. 66951
- C. 66915
- D. 69651

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Q24** Half-yearly compounding

বেংকে অৰ্ধ-বাৰ্ষিকভিত্তিক গণনাত বাৰ্ষিক 4.5% হাৰত চক্ৰবৃদ্ধি সুত আগবঢ়ায়। এগৰাকী গ্ৰাহকে এটা বছৰৰ 1 জানুৱাৰী আৰু 1 জুলাইত ₹8,138কৈ জমা কৰে। বছৰটোৰ শেষত তেওঁ লাভ কৰা সুতৰ পৰিমাণ কিমান হ'ব? (দশমিকৰ দুটা স্থানলৈ শুদ্ধমান উলিয়াওক)

A. ₹553.43 ✓
B. ₹540.05
C. ₹562.53
D. ₹538.12

**Q25** Half-yearly compounding

কোনো ধনৰাশিয়ে অৰ্ধবাৰ্ষিক চক্ৰবৃদ্ধি গণনাত 20% বাৰ্ষিক হাৰত সুত আৰ্জন কৰে। একেটা বছৰৰে 1 জানুৱাৰীত ₹8,500 আৰু 1 জুলাইত আন ₹8,500 বিনিয়োগ কৰা হ'ল। বছৰটোৰ শেষত আৰ্জিত মুঠ সুত কিমান নিৰ্ণয় কৰক।

A. ₹2,635 ✓
B. ₹2,525
C. ₹2,540
D. ₹2,680

**Q26** Half-yearly compounding

অৰ্ধ-বাৰ্ষিকভাৱে চক্ৰবৃদ্ধি হোৱাকৈ বাৰ্ষিক 10% চক্ৰবৃদ্ধি সুতত ₹5,000 ধনৰাশি 1 বছৰৰ বাবে বিনিয়োগ কৰা হয়। অৰ্জন কৰা চক্ৰবৃদ্ধি সুত নিৰ্ণয় কৰক (₹ত)।

A. 505.50
B. 530.50
C. 512.50 ✓
D. 575.50

**Q27** Half-yearly compounding

এটা বেংকে অৰ্ধবাৰ্ষিকভিত্তিত গণনাত 6.8% বাৰ্ষিক চক্ৰবৃদ্ধি হাৰত সুত প্ৰদান কৰে। এগৰাকী গ্ৰাহকে এটা বছৰৰ 1 জানুৱাৰী আৰু 1 জুলাইত ₹3,485কৈ জমা থয়। বছৰটোৰ শেষত তেওঁ লাভ কৰা সুতৰ পৰিমাণ কিমান হ'ব? (দশমিকৰ দুটা স্থানলৈ আসন্ন মান উলিয়াওক)

A. ₹376.50
B. ₹352.50
C. ₹348.50
D. ₹359.50 ✓

**Q28** Rate and time changed

বাৰ্ষিকভাৱে চক্ৰবৃদ্ধি হোৱাকৈ, ₹10000 ধনৰাশিৰ 2 বছৰৰ চক্ৰবৃদ্ধি সুত হৈছে ₹2544; যদি বাৰ্ষিক সুতৰ হাৰ আধা কৰা হয় আৰু সময়সীমা দুগুণ কৰা হয়, তেন্তে চক্ৰবৃদ্ধি সুত (₹ত, নিকটতম পইচালৈ আসন্ন মান) কিমান হ'ব?

A. 2742.67
B. 2724.67
C. 2624.77 ✓
D. 2642.77

**Q29** SI and CI relation

এটা নিৰ্দিষ্ট পৰিমাণৰ ধনৰাশি বাৰ্ষিক 3% হাৰৰ সৰল সুতত 3 বছৰৰ বাবে বিনিয়োগ কৰা হৈছে। ইয়াৰ পৰা অৰ্জন কৰা সৰল সুতৰ পৰিমাণ, বাৰ্ষিক 6% হাৰত 2 বছৰৰ বাবে, বছৰি চক্ৰবৃদ্ধি হোৱাকৈ বিনিয়োগ কৰা ₹6,000 ত অৰ্জন কৰা চক্ৰবৃদ্ধি সুতৰ আধাৰ সমান। সৰল সুতত বিনিয়োগ কৰা মূলধনৰ পৰিমাণ নিৰ্ণয় কৰক।

A. ₹4,350
B. ₹4,120 ✓
C. ₹3,650
D. ₹3,890

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Arithmetic**

7 Questions • Answer Key

**Q1** Men and days variation

15 গৰাকী শ্ৰমিকে এখন দেৱাল 22 দিনত সাজিব পাৰে। একেখন দেৱাল 12 গৰাকী শ্ৰমিকে (একে দক্ষতাৰে কাম কৰিলে) সাজিবলৈ কিমান দিন ল'ব?

- A. 30 দিন
- B. 25 দিন
- C. 27.5 দিন ✓
- D. 28.5 দিন

**Q2** Men and days variation

যদি 8 গৰাকী কৰ্মীয়ে এটা কাম 12 দিনত সম্পূৰ্ণ কৰিব পাৰে, তেন্তে একেটা কাম সম্পূৰ্ণ কৰিবলৈ 6 গৰাকী কৰ্মীয়ে কিমান দিন ল'ব?

- A. 16 দিন ✓
- B. 18 দিন
- C. 15 দিন
- D. 12 দিন

**Q3** Worker leaves midway

এগৰাকী ব্যক্তি P য়ে এটা প্ৰকল্প 24 দিনত সম্পূৰ্ণ কৰে আৰু Q নামৰ ব্যক্তিয়ে একেটা প্ৰকল্প 36 দিনত সম্পূৰ্ণ কৰে। তেওঁলোকে একেলগে 4 দিন কাম কৰাৰ পিছত Qয়ে কাম এৰি গুচি যায়। Pয়ে বাকী থকা কামখিনি কিমান দিনত সম্পূৰ্ণ কৰিব? (আপোনাৰ উত্তৰটো দুই দশমিক স্থানৰ আসন্ন মানত নিৰ্ণয় কৰক।)

- A. 17.67 দিন
- B. 17.53 দিন
- C. 17.87 দিন
- D. 17.33 দিন ✓

**Q4** Combined work rate

ৰিয়াই এটা কাম 15 দিনত সম্পূৰ্ণ কৰে, আনহাতে নেহাই একেটা কামকে 20 দিনত সম্পূৰ্ণ কৰে। যদি দুয়ো একেলগে কাম কৰে, তেন্তে তেওঁলোকক কামটো সম্পূৰ্ণ কৰিবলৈ কিমান দিন লাগিব?

- A. $\frac{35}{4}$ দিন
- B. $\frac{75}{8}$ দিন
- C. $\frac{60}{7}$ দিন ✓
- D. $\frac{29}{3}$ দিন

Blackbook Vocabulary — Now in the App! ▶ Download Now on Google Play

**Q5** Efficiency comparison

Aই এটা কাম 16 দিনত কৰিব পাৰে। B হৈছে Aতকৈ 60% অধিক কৰ্মক্ষম। A আৰু Bয়ে একেলগে কামটো সম্পূৰ্ণ কৰিবলৈ কিমান সময় ল'ব?

A. $4\frac{3}{13}$ দিন

B. $3\frac{2}{7}$ দিন

C. $5\frac{4}{7}$ দিন

D. $6\frac{2}{13}$ দিন ✓

**Q6** Remaining work fraction

